# Krishna Kanta Handiqui State Open University
## MA 4th Sem. Examination, 2014

বিষয় ঃ অসমীয়া কাকত ঃ পঞ্চদশ (ভাষা শাখা)

উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা

সময় ঃ ৩ ঘণ্টা

মুঠ নম্বৰ ঃ ৮০

১। তলৰ যিকোনো ৫ টা প্ৰশ্নৰ উত্তৰ লিখক ২×৫ = ১০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভাষাগত ভিন্নতাক বহলভাৱে কেইটা আৰু কি কি ভাষাত ভগোৱা হৈছে?

(খ) ব্যক্তিভাষাৰ এটি সংজ্ঞা দাঙি ধৰক।

(গ) উপভাষা ভূগোলৰ অধ্যয়নত বিশেষ ভূমিকা লোৱা উপাদানবোৰ কি কি?

(ঘ) উপভাষা একোটাক মান্যৰূপ বা সাধুৰূপ পাবলৈ কি কি সমলৰ আৱশ্যক হয়?

(ঙ) উপভাষা অধ্যয়নৰ পদ্ধতিক কি কি শ্ৰেণীত ভাগ কৰা হৈছে?

(চ) বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাক কেইটা আৰু কি কি আঞ্চলিক ৰূপত ভাগ কৰিছে?

(ছ) ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত দুটা সংযোগী ভাষাৰ নাম উল্লেখ কৰক।

২। তলৰ যিকোনো ৩ টাৰ চমুটোকা লিখক ৪×৩ = ১২

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভাষা আৰু লিংগভেদ

(খ) বৰ্ণগত উপভাষা

(গ) ভাষিক মানচিত্ৰ

(ঘ) দ্বিপাৰ্শ্বী ভাষা বা ডাইগ্ল'ছিয়া

(ঙ) কামৰূপী উপভাষাৰ স্থানীয় ৰূপ



২। তলৰ যিকোনো ৩ টা প্ৰশ্নৰ উত্তৰ লিখক ৬×৩ = ১৮

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) উপভাষাৰ সৃষ্টিত অৰিহণা যোগোৱা প্ৰধান কাৰকসমূহ ফঁহিয়াই বিশ্লেষণ কৰক।

(খ) পৰিস্থিতি নিৰ্ধাৰক ভাষা (Register)-ৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

(গ) উপভাষাৰ সীমা নিৰ্ধাৰক (Isogloss) বুলিলে কি বুজা যায়? ইয়াৰ শ্ৰেণী-বিভাজন সম্পৰ্কে এটি আলচ দাঙি ধৰক।

(ঘ) মধ্য অসমৰ উপভাষাৰ ভাষিক বৈশিষ্ট্যসমূহ ফঁহিয়াই বিচাৰ কৰক।

(ঙ) কামৰূপী উপভাষাৰ সৈতে মান্য অসমীয়াৰ ৰূপগত প্ৰভেদবোৰৰ এটি তুলনা দাঙি ধৰক।

৪। তলৰ যিকোনো ৪ টা প্ৰশ্নৰ উত্তৰ লিখক ১০×৪ = ৪০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৪০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) পাৰস্পৰিক বোধগম্যতা কি? ভাষা তথা উপভাষাৰ সৈতে ইয়াৰ সম্পৰ্ক কি, বহলাই বিশ্লেষণ কৰক।

(খ) 'উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা'— এই শিতানত এটি চমু আলচ যুগুত কৰক।

(গ) সমাজ-ভাষাবিজ্ঞানৰ পৰিসৰ সম্বন্ধে এটি বিশ্লেষণাত্মক টোকা প্ৰস্তুত কৰক।

(ঘ) অসমৰ নৃগোষ্ঠীয় উপভাষাসমূহৰ চমু পৰিচয় দাঙি ধৰক।

(ঙ) মান্য অসমীয়া আৰু কামৰূপী উপভাষাৰ ধ্বনিতাত্ত্বিক প্ৰভেদসমূহ ফঁহিয়াই বিচাৰ কৰক।

(চ) গোৱালপৰীয়া উপভাষাৰ ভাষাগত বৈশিষ্ট্যবোৰ উদাহৰণসহ বিশ্লেষণ কৰি দেখুৱাওক।